পাঠ-১৪

# সময়

K9L9Q7

অংকিতা আৰু অংকুৰ কোনে ৰাতিপুৱা আগতে শোৱাপাটীৰ পৰা উঠে আলোচনা কৰি আছিল।



মই ৰাতিপুৱা ৬ বাজি ১০ মিনিটত উঠো





মই তেনেহ'লে তোমাতকৈ ৫ মিনিট আগতে উঠো





আমি মিনিট কেনেদৰে চাব লাগে?



মিনিটৰ কাঁটাডাল ১২ৰ পিছত যিমান ডাল আঁচ পাৰ হয় সেয়াই হ'ল মিনিটৰ হিচাপ। ঘড়ীটোত চোৰা-মিনিটৰ কাঁটাডাল ৩ত আছে। তাৰ মানে ১২ৰ পৰা ৩ লৈ ১৫ ডাল আঁচ আছে। গতিকে সময় হৈছে ৫ বাজি ১৫ মিনিট।



অনন্যাৰ বিদ্যালয়লৈ যোৱা সময় চাওঁ আহা



৮ বাজি ৩০ মিনিট



অংকুৰৰ স্কুল ছুটী হোৱা সময় চাওঁ আহা





২ বাজি ৩০ মিনিট

জানি লওঁ আহা ঃ ঘড়ী এটাত মিনিটৰ কাঁটাডাল ঘণ্টাৰ কাঁটাতকৈ অলপ দীঘল হয়।

শেৱালি, ৰক্তিম আৰু ৰহিমে ঘড়ীত সময় চাইছে। কোনজনে শুদ্ধকৈ চাইছে ✓ চিন দিয়া।

| সময় | শেৱালি | ৰক্তিম | ৰহিম |
|---|---|---|---|
|  | ১২:২০ | ১২:০৪ | ৪:০০ |
|  | ৬:০৮ | ৬:৪০ | ৮:০০ |
|  | ১০:২৫ | ১০:০৫ | ৪:৫০ |

তলৰ সময়বিলাক ঘড়ীত আঁকি দেখুওৱা




৪:২৫



২:২৫



৩:৪০



৬:৪৫



১১:১৫

ঘড়ী চাই মিনিটৰ কাঁটাডাল ঘূৰিবলৈ কিমান সময় লাগিব লিখা ?

  = ১৫ মিনিট

৫ বাজি ৫ মিনিটৰ পৰা ৫ বাজি ২০ মিনিটলৈ

  = 

৩ বাজি ১০ মিনিটৰ পৰা ৩ বাজি ৩৫ মিনিটলৈ

  = 

৭ বাজি ২০ মিনিটৰ পৰা ৭ বাজি ৩০ মিনিটলৈ


**প্ৰকল্প**

ৰেডিঅ' আৰু বাতৰি কাকতত প্ৰতিদিনে সূৰ্য উদয় আৰু অস্ত যোৱাৰ সময় প্ৰচাৰ কৰে। এটা সপ্তাহৰ বাবে এই সময় তালিকাত দিয়াৰ দৰে লিপিবদ্ধ কৰা

| মাহ......................... | | |
|---|---|---|
| **বাৰ** | **সূৰ্য উদয় হোৱা সময়** | **সূৰ্য অস্ত যোৱা সময়** |
| | | |
| | | |
| | | |
| | | |
| | | |
| | | |
| | | |

**তলৰ ছবিত দেখুওৱা কামবোৰ কৰিবলৈ তোমাৰ কিমান সময় (মিনিট) লাগে?**

(প্ৰথমে অনুমান কৰা। পিছত তোমাৰ অনুমান শুদ্ধনে নিজে পৰীক্ষা কৰি চোৱা)




১ লিটাৰ পানী উতলাবলৈ



পঢ়া টেবুলখন চাফচিকুণ কৰিবলৈ



গাটো ধুবলৈ



ঘৰত ৰাতিৰ আহাৰ প্ৰস্তুত কৰোঁতে



ফুটবল খেল এখন খেলিবলৈ



ঘৰৰ পৰা বজাৰলৈ যাওঁতে

**লৰ কামবোৰ কৰোঁতে কিমান সময় লাগিল তোমাৰ বন্ধু এজনক ঘড়ীত চাবলৈ কোৱা।**



এখন ভৰিৰ ওপৰত থিয় হৈ থকা



নোৰোৱাকৈ স্কিপিং কৰা




নোৰোৱাকৈ কু-কু কৈ মাতা


## ৰেল ষ্টেচনত ঈশান আৰু দেউতাক

গৰমৰ বন্ধৰ সময়ত এদিন ঈশানে দেউতাকৰ লগত ৰে'লেৰে চহৰত থকা পেহীয়েকৰ ঘৰলৈ যাবলৈ ওলাল। তেওঁলোক ৫:৪৫ বজাত ষ্টেচনত উপস্থিত হ'ল। কিন্তু তেওঁলোক অহাৰ আগতে ৰে'লখন গুচি গ'ল। তেওঁলোকে একো বুজিব নোৱাৰি ষ্টেচন মাষ্টৰজনৰ লগত কথা পাতিলে—









লৰ তালিকাখনত তোমাৰ ঘড়ীৰ সময়বোৰ দিয়া আছে। এতিয়া ২৪ ঘণ্টীয়া ঘড়ীত সেই ময়বোৰ লিখা।







| তোমাৰ ঘড়ীৰ সময় (১২ ঘণ্টীয়া ঘড়ীৰ সময়) | ২৪ ঘণ্টীয়া ঘড়ীৰ সময় |
|---|---|
| আবেলি ১ বজা | ১৩:০০ ঘণ্টা |
| আবেলি ২ বজা | ১৪:০০ ঘণ্টা |
| আবেলি ৩ বজা | ________ ঘণ্টা |
| আবেলি ৪.৩০ বজা | ________ ঘণ্টা |
| সন্ধিয়া ৬ বজা | ________ ঘণ্টা |
| ৰাতি ১০ বজা | ________ ঘণ্টা |
| ৰাতি ১২ বজা | ________ ঘণ্টা |







সমস্যা সমাধান কৰা

- ধৰা এখন ৰে'ল ৰাতি ৯.৩০ বজাত এৰিব। এই সময়টো ৰে'ল বিভাগৰ টিকটত কিদৰে লিখা থাকিব ?
- ১২ ঘণ্টীয়া ঘড়ীত সময় সন্ধিয়া ৮:১৫ বাজিলে, ২৪ ঘণ্টীয়া ঘড়ীত এই সময় কিদৰে লিখা থাকিব ?
- ১২ ঘণ্টীয়া ঘড়ীত ৰাতিপুৱা ৯ বাজিলে, ২৪ ঘণ্টীয়া ঘড়ীত এই সময় কিদৰে লিখা থাকিব ?
- ২৪ ঘণ্টীয়া ঘড়ীত দুপৰ নিশা ০০:০০ লিখা থাকিলে, ১২ ঘণ্টীয়া ঘড়ীত এই মান কিমান হ'ব ?

## জানি লওঁ আহা

এটা ১২ ঘণ্টীয়া ঘড়ীত প্ৰতিটো সময় দিনত দুবাৰকৈ আহে। ৰাতি ১২ বজাৰ পৰা দুপৰীয়া ১২ বজালৈ am লিখা হয়। আকৌ দুপৰীয়া ১২ বজাৰ পৰা ৰাতি ১২ বজালৈ pm লিখা হয়।



## নিজে লিখা

ৰাতিপুৱা ৭.৩০ বজাত = ৭.৩০ am

গধূলি ৭.৩০ বজাত = ৭.৩০ pm

ৰাতিপুৱা ১১.৫০ বজাত = ......................................

ৰাতিপুৱা ৫ বজাত = ......................................

দুপৰীয়া ২ বজাত = ......................................

দুপৰীয়া ৩ বজাত = ......................................

ৰাতিপুৱা ৯ বজাত = ......................................

* তলত উল্লেখ কৰা সময় সমূহত am আৰু pm ব্যৱহাৰ কৰি লিখা।

তোমাৰ স্কুল আৰম্ভ হোৱাৰ সময় ____________________।

বিদ্যালয়ত মধ্যাহ্ন ভোজনৰ সময় ____________________।

আবেলি খেলিবলৈ যোৱাৰ সময় ____________________।

ৰাতিপুৱা উঠাৰ সময় ____________________।

ঘৰত নিশাৰ আহাৰ গ্ৰহণ কৰাৰ সময় ____________________।



ৰণোজৰ দিনটোৰ কামৰ তালিকাখন ১২ ঘণ্টীয়া ঘড়ীৰ সময় মতে দিয়া হৈছে। এতিয়া তুমি তালিকাখন ২৪ ঘণ্টীয়া ঘড়ীৰ সময় মতে লিখা

| **ৰণোজৰ কামৰ তালিকা** (১২ ঘণ্টীয়া ঘড়ী মতে) | **২৪ ঘণ্টীয়া ঘড়ীত সময়সূচী** |
|---|---|
| ৬.০০ am– পুৱা শুই উঠে | ৬.০০ |
| ৬.২০ am– ব্যায়াম কৰে | ৬.২০ |
| ৬.৪০ am– গাখীৰ খায় | .................. |
| ৬.৪৫ am– পঢ়িবলৈ বহে | .................. |
| ৮.০০ am– গা ধোৱে | .................. |
| ৮.৪৫ am– স্কুললৈ যায় | .................. |
| ৩.৩০ pm– স্কুলৰ পৰা ঘৰলৈ আহে | .................. |
| ৪.৩০ pm– খেলিবলৈ যায় | .................. |
| ৬.০০ pm– প্ৰাৰ্থনাত বহে | .................. |

**জানি লওঁ আহা**

৬০ মিনিট = ১ ঘণ্টা

২৪ ঘণ্টা = ১ দিন

১ সপ্তাহ = ৭ দিন

৩০ দিন = ১ মাহ

৩৬৫ দিন = ১ বছৰ



*(শিক্ষকলৈ নিৰ্দেশনা ঃ শিক্ষকে এক সপ্তাহত কিমান দিন, এক ঘণ্টাত কিমান মিনিট আদি কথাবোৰ ছাত্ৰ-ছাত্ৰীৰ লগত আলোচনা কৰিব।*

## * জাহ্নৱীৰ জন্মদিন



মা, আমাৰ শ্ৰেণীৰ জাহ্নৱীৰ আজি জন্মদিন। এই জন্মদিন বোলে আৰু ৪ বছৰৰ পিছতহে আহিব। মোৰ দেখোন প্ৰতি বছৰে জন্মদিন হয়।

তাৰমানে তাইৰ জন্মদিন ২৯ ফেব্ৰুৱাৰী, যিটো দিন প্ৰতি ৪ বছৰৰ মূৰত এবাৰহে আহে। এই বছৰটোত মুঠ দিনৰ সংখ্যা ১ দিন বাঢ়ি ৩৬৬ দিন হয়গৈ। ২৯ দিনীয়া ফেব্ৰুৱাৰী মাহ থকা বছৰক **অধিবৰ্ষ** বা **লিপইয়েৰ** বোলে।






এই বছৰটোত বাকী থকা মাহকেইটাৰ দিনবো পৰিৱৰ্তন হয় নেকি?

বাকী থকা মাহকেইটাৰ দিনৰ কোনো পৰিৱৰ্তন নহয়, কেৱল ফেব্ৰুৱাৰী মাহটোতহে এদিন বাঢ়ি ২৯ দিন হয়গৈ। সেয়েহে **লিপইয়েৰ** হোৱা বছৰটোত ৩৬৬ দিন থাকে।



### শিকোঁ আহা

বছৰটোৰ মাহবোৰ ৩০ নে ৩১ দিনীয়া গণি চোৱা



## গৰমৰ বন্ধত আইতাৰ ঘৰত প্ৰীতিলতা

গৰমৰ বন্ধত প্ৰীতিলতা আইতাকৰ ঘৰত কিছুদিনৰ বাবে থাকিবলৈ গৈছিল। সময় অনুযায়ী তাই তাত কি কি কৰিছিল চাওঁ আহা

- প্ৰীতিলতাই আবেলি ৪.৩০ত খেলিবলৈ গৈছিল। তাই ৪৫ মিনিট খেলিলে। তাই কেইটা বজাত ঘৰলৈ উভতি আহিল?

  ৪.৩০ + ৩০ মিনিট = ৫.০০

  ৫.০০ + ১৫ মিনিট = ৫.১৫ মিনিট

  অৰ্থাৎ তাই ৫.১৫ মিনিটত ঘৰলৈ উভতি আহিছিল।

- প্ৰীতিলতাই ৰাতি ৯.০০ pm ত শুবলৈ যায় আৰু ৰাতিপুৱা ৬ am ত উঠে।

  তাই কিমান সময় শোৱে? ☐


- প্ৰীতিলতাই আইতাকৰ লগত ৰাতি ৮.২০ বজাত ভাত খায়। এতিয়া সময় ৰাতি ৮ বাজিছে। তেওঁলোকৰ ভাত খাবলৈ আৰু কিমান সময় বাকী আছে চাওঁ আহা।

| | |
|---|---|
| ভাত খোৱাৰ সময় | ৮.২০ pm |
| এতিয়াৰ সময় | ৮.০০ pm |
| ভাত খাবলৈ বাকী থকা সময় = | মিনিট |



## তলৰ তাৰিখবোৰৰ মাজৰ দিন/সময়বোৰ গণনা কৰা

- ১২ আগষ্টৰ পৰা ৯ অক্টোবৰলৈকে কিমান দিন?
- জানুৱাৰীৰ ১৬ তাৰিখৰ পৰা মাৰ্চৰ ১৭লৈকে
- ৮ amৰ পৰা ১১ am লৈ কিমান সময়?
- ২ amৰ পৰা ৪ am লৈ কিমান সময়?
- ১১ amৰ পৰা ৩ pm লৈ কিমান সময়?
- ৯.৩০ pmৰ পৰা ১০ pm লৈ কিমান সময়?



## দোকানত এদিন

চেঙচেং আৰু তাৰ বায়েক এদিন দোকানলৈ গ'ল। তেওঁলোকে তাত এটা জেলীৰ বটল কিনিলে। কিনাৰ আগতে বায়েকে তাত লিখা তাৰিখটো চালে। তাত প্ৰস্তুত কৰা তাৰিখটো লিখা আছিল ৪ মাৰ্চ ২০১৮ বুলি। বটলটো ৬ মাহৰ ভিতৰত ব্যৱহাৰ কৰিব লাগিব বুলি লিখা আছিল। এতিয়া চেঙচেঙহঁত দোকানত যোৱা দিনটো আছিল ৪ জুলাই ২০১৮। তেওঁলোকে কিমান দিনৰ ভিতৰত বটলৰ জেলীখিনি খাই শেষ কৰিব লাগিব? ______

## ঘড়ীৰ লগত সময়বোৰ মিলাও আহা

৬ বাজি ৪০ মিনিট



৪ বাজি ৫০ মিনিট



৬ বাজি ৫ মিনিট



৫ বাজি ১৫ মিনিট



১২ বাজি ২০ মিনিট

